No. of Printed Pages—3

586 (AEM 12)

[18–HRGPKAC–D6S]

BA 6th Semester Exam., 2018

ASSAMESE

[BAE M–11]

(প্রাচ্য সমালোচনা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক : 1×8=8

(a) কাক আলংকাৰিক নামেৰে অভিহিত কৰা হয় ?

(b) 'অভিব্যক্তিবাদ'ৰ প্রৱর্তক কোন ?

(c) কান্তি কি ?

(d) আচার্য্য বামনে যোগ দিয়া ৰীতিটোৰ নাম কি ?

(e) ছান্দসিক কাক বোলে ?

(f) বিহুগীত, বিয়ানাম, আইনাম আদিত কি ছন্দসজ্জা ব্যৱহৃত হয় ?

(g) মম্মটে শব্দালংকাৰক কেইটা ভাগত ভাগ কৰিছে ?

(h) উৎপ্রেক্ষা অলংকাৰক মূলতঃ কেইটা ভাগত ভাগ কৰা হয় আৰু কি কি ?

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×8=16

(a) 'ৰস' শব্দটো ঋগ্বেদ আৰু উপনিষদত কি অৰ্থত ব্যৱহাৰ কৰা হৈছিল ?

(b) শ্লেষ কি ?

(c) যতি কি ?

(d) একাৱলী ছন্দ কি ?

(e) প্ৰস্বন বুলিলে কি বুজে ?

(f) অলংকাৰসমূহক মূলতঃ কেইটা শ্ৰেণীত ভাগ কৰিব পাৰি ?

(g) শ্ৰুতানুপ্ৰাস কি ?

(h) সাদৃশ্যমূলক অলংকাৰ বুলিলে কি বুজে ?

3. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 4×5=20

(a) ভট্টলোল্লটে ৰস সম্পৰ্কে কি কৈ গৈছে, বুজাই লিখক।

(b) শৃংগাৰ ৰসৰ বিষয়ে চমুকৈ লিখক।

(c) প্ৰসাদ গুণৰ বিষয়ে চমু টোকা লিখক।

(d) মাত্ৰা কি ? বুজাই লিখক।

(e) 'পাঞ্চালী ৰীতি' সম্পৰ্কে এটি টোকা লিখক।

(f) অন্ত্যানুপ্ৰাস সম্পৰ্কে চমুকৈ লিখক।

4. তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) ৰস শব্দৰ আঁতিগুৰি সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

(b) গুণবাদ কি? চমু আলোচনা আগবঢ়াওক।

(c) চমুকৈ লিখক :

পৰ্ব আৰু পদ, চৰণ আৰু স্তৱক

5. তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 10×2=20

(a) অলংকাৰৰ সংজ্ঞা দাঙি ধৰি কাব্যত অলংকাৰৰ স্থান নিৰূপণ কৰক।

(b) সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি? এই প্ৰয়োজনীয়তাৰ উপলব্ধি কি ধৰণে হয়? আলোচনা কৰক।

(c) অনুপ্ৰাস অলংকাৰ কাক বোলে? ইয়াক শ্ৰেণীবিভাজন কৰি প্ৰত্যেকবিধ অনুপ্ৰাস অলংকাৰৰ বিষয়ে উদাহৰণসহ বুজাই লিখক।

★★★